# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 02-03-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি তেওঁৰ বাসগৃহত নিৰাপত্তা সন্দৰ্ভত কেবিনেট সমিতিৰ এখন বৈঠকত অধ্যক্ষতা কৰে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ ইন্দিৰা গান্ধী ইনড'ৰ ষ্টেডিয়ামত **দিল্লী লাখপতি কন্যা** যোজনা মুকলি কৰিব।

৩। ইৰানৰ ওপৰত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইজৰাইলৰ বিমান আক্ৰমণ অব্যাহত আছে।

৪। পশ্চিম এছিয়াৰ সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰে। ***আৰু***

৫। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা অনুষ্ঠিত ছুপাৰ এইটৰ এখন গুৰুত্বপূৰ্ণ খেলত ভাৰতে ৱেষ্ট ইণ্ডিজক ৫ উইকেটত পৰাস্ত কৰি প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি তেওঁৰ বাসগৃহত নিৰাপত্তা সন্দৰ্ভত কেবিনেট সমিতিৰ এখন বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ আৰু বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ উপস্থিত থাকে। ইৰান, ইজৰাইল আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ বৰ্ধিত সংঘৰ্ষই সৃষ্টি কৰা গোলকীয় পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত এই বৈঠকত আহ্বান জনোৱা হয়।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ ইন্দিৰা গান্ধী ইনড'ৰ ষ্টেডিয়ামত **দিল্লী লাখপতি কন্যা** যোজনা মুকলি কৰিব। কন্যাসকলৰ বাবে থকা পূৰ্বৰ লাদলী আঁচনিখনকে নতুনকৈ আৰু বহল পৰিসৰত **দিল্লী লাখপতি কন্যা** যোজনালৈ পৰিৱৰ্তিত কৰা হৈছে।

পূৰ্বতে এই আঁচনিৰ অধীনত চিকিৎসালয়ত জন্ম হোৱা প্ৰতিগৰাকী যোগ্য কন্যা শিশুৰ বিপৰীতে বেংকত চৰকাৰে ১১ হাজাৰকৈ ধন জমা কৰিছিল। ঘৰত জন্ম হোৱা কন্যা শিশুৰ ক্ষেত্ৰতো ১০ হাজাৰকৈ ধন দিয়া হৈছিল। একেদৰে প্ৰথম, ষষ্ঠ আৰু নৱম শ্ৰেণীৰ লগতে দশম শ্ৰেণীত উত্তীৰ্ণ ছাত্ৰীসকল তথা দ্বাদশ শ্ৰেণীৰ নামভৰ্তিৰ বাবে ৫ হাজাৰ টকাকৈ চৰকাৰৰ পৰা দিয়া হৈছিল। দিল্লীৰ বৰ্তমান মুখ্যমন্ত্ৰীয়ে পৰিৱৰ্তিত এই নতুন আঁচনিখনৰ বিষয়ে স্পষ্ট কৰি দি কয়, যে আঁচনিখনৰ অধীনত আৰ্থিক সাহায্যৰ পৰিমাণ আৰু অন্যান্য সুবিধাসমূহৰ পৰিসৰ বৃদ্ধি পাব।

ooooo

ইৰানৰ ওপৰত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইজৰাইলৰ বিমান আক্ৰমণ অব্যাহত আছে। তেহৰানৰ বিভিন্ন অঞ্চলত যোৱা নিশাও বিস্ফোৰণৰ বাতৰি পোৱা গৈছে। আমেৰিকা আৰু ইজৰাইলৰ আগ্ৰাসী অভিযান ৰাজধানী চহৰখনলৈকে বিয়পি পৰিছে। ইজৰাইল প্ৰতিৰক্ষা বাহিনী, আই ডি এফে তেওঁলোকে তেহৰানৰ আকাশমাৰ্গত আধিপত্য লাভ কৰা বুলি প্ৰকাশ কৰিছে। ইৰানেও ইজৰাইলৰ ওপৰত ক্ষেপণাস্ত্ৰ আৰু ড্ৰোণেৰে প্ৰত্যাক্ৰমণ চলোৱাৰ লগতে পশ্চিম এছিয়া তথা চৌদি আৰব আৰু সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰত থকা আমেৰিকাৰ সামৰিক ঘাটিত প্ৰত্যাক্ৰমণ চলাইছে। আমেৰিকাৰ নৌসেনাৰ বিমান পৰিবাহী জাহাজ ইউ এছ এছ আব্ৰাহাম লিংকনত ইৰানে কালি চাৰিটা বেলিষ্টিক ক্ষেপণাস্ত্ৰৰে আক্ৰমণ কৰে বুলি ইৰান ইছলামিক ৰিভ'লিউচনেৰী গাৰ্ডছ্ কৰ্পে এটা বিবৃতিত প্ৰকাশ কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰই ইৰানৰ ৯ খন নৌসেনাৰ জাহাজ ধবংস কৰিছে বুলি ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীট্ৰাম্পে কয়, যে ধবংস কৰা জাহাজসমূহৰ ভিতৰত কেইবাখনো সামগ্ৰিকভাৱে বৃহৎ আৰু গুৰুত্বপূৰ্ণ জাহাজ আছিল। আমেৰিকাই ইৰানৰ বাকী থকা নৌসেনাৰ জাহাজসমূহো ধবংস কৰিব বুলি ৰাষ্ট্ৰপতি ট্ৰাম্পে সতৰ্ক কৰি দিছে। আন এটা পৃথক আক্ ৰমণত আমেৰিকাই ইৰানৰ নৌসেনাৰ মুখ্য কাৰ্যালয় ধবংস কৰা বুলিও শ্ৰীট্ৰাম্পে প্ৰকাশ কৰিছে।

ইপিনে, ইৰানৰ ক্ষেপণাস্ত্ৰৰ আক্ৰমণত ইজৰাইলৰ বেইট ছেমেচ চহৰত মৃত্যু হোৱা লোকৰ সংখ্যা ৯ জনলৈ বৃদ্ধি পাইছে। একেদৰে সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰতো কালি পৰ্যন্ত তিনিজন লোকৰ মৃত্যু হোৱা বুলি ইউ এ ইৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে নিশ্চিত কৰিছে। ইৰানে ইউ এ ইক লক্ষ্য কৰি চলোৱা ১৬৫টা বেলিষ্টিক মিছাইলৰ ১৫২টা প্ৰতিহত কৰা হয় আৰু ইয়াৰে ১৩টা সাগৰত পৰে বুলি মন্ত্ৰালয়ে জনাইছে। আমেৰিকাৰ সামৰিক ঘাটি থকা কাটাৰ, বাহৰেইন, জৰ্ডান আৰু কুৱেইটেও ইৰানৰ বহুকেইটা ক্ষেপণাস্ত্ৰ প্ৰতিহত কৰা বুলি প্ৰকাশ কৰিছে। অৱশ্যে ক্ষেপণাস্ত্ৰৰ অৱশেষসমূহে বিভিন্ন ঠাইত বিস্তৰ ক্ষতি কৰা বুলিও জানিব পৰা গৈছে। পশ্চিম এছিয়াৰ এনে অস্থিৰ ভূ-ৰাজনৈতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ভাৰতৰ পৰা ৪ শতাধিক আন্তঃৰাষ্ট্ৰীয় বিমানৰ সেৱা বাতিল কৰাৰ লগতে সময়সূচী সালসলনি কৰা হৈছে।

০০০০০

পশ্চিম এছিয়াৰ সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা নিশা ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে তেওঁ শেহতীয়া পৰিস্থিতিক লৈ ভাৰতৰ উদ্বেগ ব্যক্ত কৰে আৰু জনসাধাৰণৰ নিৰাপত্তাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। ভাৰতে অতি শীঘ্ৰেই এই সংঘৰ্ষৰ অন্ত পৰাটো বিচাৰে বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০

কানাডাৰ প্ৰধান মাৰ্ক কাৰ্নি ফলপ্ৰসূ মুম্বাইৰ ভ্ৰমণ সামৰি কালি নতুন দিল্লীত উপস্থিত হয়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয়, যে কানাডাৰ প্ৰধানমন্ত্ৰীগৰাকীক উদ্যোগ আৰু বাণিজ্য দপ্তৰৰ ৰাজ্যমন্ত্ৰী জিতিন প্ৰসাদে আদৰণি জনায়। শ্ৰীকাৰ্নিয়ে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে বৈঠকত মিলিত হ'ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কালি সন্ধিয়া কানাডাৰ বিদেশমন্ত্ৰী অনিতা আনন্দক নতুন দিল্লীত অভিবাদন জনায়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি শ্বেখ মহম্মদ বিন জায়েদ অল নাহিয়ানৰ সৈতে বাৰ্তালাপ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰৰ ওপৰত কৰা আক্ৰমণক কঠোৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে আক্ৰমণত নিহতসকলৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে। শ্ৰীমোদীয়ে কয়, যে ৰাষ্ট্ৰখনৰ এনে দুৰ্যোগৰ সময়ত ভাৰত তেওঁলোকৰ সৈতে আছে। দেশখনত বাস কৰা ভাৰতীয় সমুদায়ৰ লোকসকলৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে প্ৰধানমন্ত্ৰীয়ে শ্বেখ মহম্মদক ধন্যবাদ জনায়।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে পশ্চিম এছিয়াৰ সাম্প্ৰতিক নিৰাপত্তা পৰিস্থিতিৰ ফলত ক্ষতিগ্ৰস্ত হোৱা ভাৰতত থকা বিদেশী নাগৰিকসকলৰ বাবে কেতবোৰ পৰামৰ্শাৱলী জাৰি কৰিছে। এই অনুসৰি তেওঁলোকক ভিছা সম্প্ৰসাৰণকে অন্যান্য সহযোগিতাৰ বাবে নিকটৱৰ্তী বিদেশী আঞ্চলিক পঞ্জীয়ন কাৰ্যালয়ৰ সৈতে যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰ, ইজৰাইল আৰু ইৰানৰ মাজৰ সামৰিক আক্ৰমণ-প্ৰত্যাক্ৰমণৰ পৰিপ্ৰেক্ষিতত পশ্চিম এছিয়াৰ পৰিস্থিতি উদ্বেগজনক হৈ পৰাৰ মাজতে মন্ত্ৰ্যালয়ে এই পৰামৰ্শাৱলী জাৰি কৰিছে। এই দেশকেইখনত বাস কৰা প্ৰৱাসী ভাৰতীয়সকলৰ বাবে ভাৰতে পৃথক যাত্ৰা আৰু নিৰাপত্তা পৰামৰ্শাৱলী জাৰি কৰিছে। তেল আভিভত থকা ভাৰতীয় দূতাবাসে ভাৰতীয় নাগৰিকসকলক অপ্ৰয়োজনীয় যাত্ৰা এৰাই চলাৰ লগতে সাৱধানতা বজাই ৰাখি ঘৰতে থাকিবলৈ আহ্বান জনাইছে। ইৰানত থকা দূতাবাস কৰ্তৃপক্ষই ভাৰতীয় নাগৰিকসকলক প্ৰয়োজন নহ'লে ঘৰৰ পৰা বাহিৰলৈ নোলাবলৈ আৰু শেহতীয়া ঘটনাক্ৰমৰ বিষয়ে অৱগত হোৱাৰ বাতৰি চাই থাকিবলৈ কৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে ছৌদি আৰৱ আৰু কুৱেইটৰ বিদেশ মন্ত্ৰীৰ সৈতে কথা পাতি শেহতীয়া পৰিস্থিতি আৰু আঞ্চলিক অস্থিৰতাক লৈ ভাৰতৰ উদ্বেগ ব্যক্ত কৰে।

ooooo

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত ছুপাৰ এইটৰ এখন গুৰুত্বপূৰ্ণ খেলত ভাৰতে ৱেষ্ট ইণ্ডিজক ৫ উইকেটত পৰাস্ত কৰি প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰে। ৱেষ্ট ইণ্ডিজে নিৰ্ধাৰণ কৰি দিয়া ১৯৬ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ভাৰতে ১৯ অভাৰ ২টা বলত ৫ উইকেটৰ বিনিময়ত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। সঞ্জু ছেমচনে ৫০টা বলত ৯৭ ৰান কৰি আউট নোহোৱাকৈ থাকে। ৱেষ্ট ইণ্ডিজ জেছন হ'ল্ডাৰ আৰু শ্বমাৰ জ'ছেফে দুটাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে ৱেষ্ট ইণ্ডিজে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৪টা উইকেট হেৰুৱাই ১৯৫ ৰান সংগ্ৰহ কৰে। জছপ্ৰীত বুমৰাই দুটা উইকেট লাভ কৰাৰ লগতে হাৰ্দিক পাণ্ডিয়া আৰু বৰুণ চক্ৰৱৰ্তীয়ে এটাকৈ উইকেট দখল কৰে। সঞ্জু ছেমচনক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত অহা বৃহস্পতিবাৰে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া দ্বিতীয়খন ছেমি ফাইনেলত ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইয়াৰ পূৰ্বে কলকাতাৰ ইডেন গাৰ্ডেনছত অহা বুধবাৰে প্ৰথমখন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকা আৰু নিউজিলেণ্ড মুখামুখি হ'ব। ছেমি ফাইনেলত বিজয়ী দল দুটা ৮ মাৰ্চত আহমেদাবাদাৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত ফাইনেলত অৱতীৰ্ণ হ'ব।

ooooo

সমাপ্ত